# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-11-2026
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। সমগ্র দেশতে আজি দীপাৱলী উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চত্তিশগড়ৰ বাস্তাৰত সুৰক্ষা কৰ্মীসকলৰ সৈতে দীপাৱলী উদযাপন কৰে।

২। ছিকিমৰ ছেৰথাঙত আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সৈনিকসকলৰ সৈতে দীপাৱলীৰ উদযাপনত অংশ লয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দলৰ বৰ্ষীয়ান নেতা এল কে আদ�ৱানীৰ আজি ১০০ বছৰীয়া ওপজা দিন উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। ইজৰাইলৰ পৰৱৰ্তী চৰকাৰ গঠনৰ বাবে সেনা বাহিনীৰ প্ৰাক্তন মুৰবৰী তথা বিৰোধী নেতা গাডী আইচেনকটে বিপুল জনমত লাভ কৰিছে। ***আৰু***

৫। ভাৰতৰ তান্যাই চেনেগালৰ ডকাৰত অনুষ্ঠিত যুৱ অলিম্পিকৰ মহিলাৰ বিচ্ছ মল্লযুদ্ধৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক লাভ কৰিছে।

০০০০০০০০

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতিৰে পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভিডিঅ' বাৰ্তা যোগে জনসাধাৰণক দীপাৱলীৰ শুভেচ্ছা জনায় কয়, যে পোহৰৰ এই উৎসৱে সমগ্ৰ দেশক আলোকিত কৰি তোলে। এই উৎসৱে অন্ধকাৰৰ বিৰুদ্ধে বিজয়ৰ সংকল্পৰ বাৰ্তা বহন কৰে বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধি কামনা কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱেও দেশৰ জনসাধাৰণক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তা যোগে কয়, যে এই উৎসৱ অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ প্ৰতীক। এই উৎসৱে দুখ-কষ্টৰ অৱসান ঘটাই আনন্দমুখৰ আৰু সমৃদ্ধিশালী জীৱনৰ আৰম্ভণি সূচাই বুলিও তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে  পৰিৱেশ সুৰক্ষিত কৰিবলৈ, সমন্বয়ৰ প্ৰসাৰ ঘটাবলৈ আৰু বিকশিত ৰাষ্ট্ৰৰ নিৰ্মাণৰ দিশে অৱদান আগবঢ়াবলৈ জনসাধাৰণ প্ৰতি আহ্বান জনায়। তেওঁ লগতে প্ৰতিগৰাকী নাগৰিকৰ সু-স্বাস্থ্য, সুখ আৰু সমৃদ্ধি কামনা কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চত্তিশগড়ৰ বাস্তাৰত সুৰক্ষা কৰ্মীসকলৰ সৈতে দীপাৱলী উদযাপন কৰে। দেশৰ সীমান্তৰ পহৰা আৰু শান্তি শৃংখলা বৰ্তাই ৰখাৰ কামত নিয়োজিত সৈনিকসকলক সম্বোধন কৰি শ্ৰী মোদীয়ে তেওঁলোকক নিজৰ পৰিয়ালৰ সদস্য বুলি অভিহিত কৰে। তেওঁ কয়, যে তেওঁ ৰাষ্ট্ৰৰ সুৰক্ষাৰ বাবে সমৰ্পনৰ মনোভাবেৰে নিয়োজিত সাহসী পুৰুষ আৰু মহিলাসকলৰ সৈতে দীপাৱলী উদযাপন কৰাৰ উদ্দেশ্যে বাস্তাৰলৈ গৈছে। তেওঁ কয়, যে সুৰক্ষা কৰ্মীসকলৰ ত্যাগ আৰু নিষ্ঠাৰ বাবে এসময়ত নক্সাল প্ৰভাৱিত বাস্তাৰত সম্প্ৰতি শান্তি আৰু উন্নয়নৰ নতুন যুগৰ সূচনা হৈছে। এইবাৰৰ দীপাৱলীক বিশেষ বুলি

উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে দেশে নক্সালবাদ আৰু মাওবাদী হিংসাৰ বিৰোধী দশক দশক পুৰণি যুঁজত গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিছে। দেশৰ প্ৰতিখন জিলা নক্সালবাদৰ আৰু লাখ লাখ লোক নক্সালবাদী হিংসাৰ বিভিষিকাৰ পৰা মুক্ত হোৱাৰ পাছত উদযাপিত এইবাৰৰ দীপাৱলী বিশেষ তাৎপৰ্যপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে।

**(বাইট ঃ মোদী)**

প্ৰধানমন্ত্রীগৰাকীয়ে কয়, যে ২০ খন ৰাজ্যৰ ২৩০ খন জিলা পূৰ্বে নক্সালবাদৰ দ্বাৰা প্ৰভাৱিত আছিল। বিহাৰ, মহাৰাষ্ট্ৰ, ওড়িশা, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ আৰু চত্তিশগড়ত এই সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছিল। ২০০৪ৰ পৰা ২০১৩ চনলৈ প্ৰতি বছৰে নক্সালবাদীসকলৰ হাতত বহু সংখ্যক সুৰক্ষা কৰ্মীয়ে প্ৰাণ হেৰুৱাইছে। শ্ৰী মোদীয়ে কয়, যে প্ৰথমবাৰৰ বাবে ৪৮ বছৰৰ মূৰত যোৱা বছৰ এজনো চি আৰ পি এফ জোৱানে কৰ্তব্যৰত অৱস্থাত প্ৰাণ হেৰুওৱা নাই। দেশৰ সঠিক নীতি আৰু দৃঢ়তাৰ বাবে এয়া সম্ভৱ হৈ উঠিছে বুলি প্ৰধানমন্ত্রীয়ে মন্তব্য কৰে।

**(বাইট- মোদী)**

সুৰক্ষা বাহিনী আৰু দেশৰ সুৰক্ষাৰ কামত অন্য কৰ্মীসকলৰ অদম্য সাহস, দৃঢ়তা আৰু ত্যাগৰ বাবেই এই সাফল্য অৰ্জন কৰিব পৰা গৈছে। এই অমূল্য অৱদানৰ স্বীকৃতি স্বৰূপে সৈনিকসকলৰ সৈতে দীপাৱলী উদযাপনৰ সিদ্ধান্ত লোৱা বুলি প্ৰধানমন্ত্রীয়ে উল্লেখ কৰে।

oooooooo

যুদ্ধ স্মাৰকসমূহে দেশৰ যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব বুলি প্ৰতিৰক্ষা মন্ত্রী ৰাজনাথ সিঙে মন্তব্য কৰিছে। ছিকিমৰ ছেৰথাং যুদ্ধ স্মাৰকত সৈনিকসকলক সম্বোধন কৰি শ্ৰী সিঙে আজি এইদৰে প্ৰকাশ কৰে। অঞ্চলটোত নিয়োজিত সৈনিকসকলৰ সৈতে পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰি প্ৰতিৰক্ষা মন্ত্রীগৰাকীয়ে কয়, যে সুৰক্ষা বাহিনীৰ অদম্য সাহসৰ বাবে সমগ্ৰ দেশে শান্তিপূৰ্ণভাৱে এই উৎসৱ উদযাপন কৰিব পাৰিছে। তেওঁ লগতে ছেৰথাং যুদ্ধস্মাৰকক দেশৰ হকে প্ৰাণাহুতি দিয়া ছহিদ আৰু যুদ্ধ নায়কসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি বুলি অভিহিত কৰে। অনুষ্ঠানত স্থল সেনাবাহিনীৰ মুৰবৰী ধীৰাজ শেঠ আৰু সেনা বাহিনীৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

oooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা লাল কৃষ্ণ আদৱানীৰ ওপজা দিন উপলক্ষে প্ৰধানমন্ত্রী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে। কেইবাখনো সংবাদপত্ৰত শ্ৰী আদৱানীৰ ওপজা দিন উপলক্ষে প্ৰকাশিত প্ৰবন্ধত প্ৰধানমন্ত্রীগৰাকীয়ে কয়, যে নেতাগৰাকীয়ে বিজেপিক ৰাষ্ট্ৰ প্ৰথম আদৰ্শ সাৰোগত কৰি দলৰ ভেঁটি শক্তিশালী কৰাৰ বাবে উৎসাহিত কৰি আহিছে। এগৰাকী দক্ষ নেতা হোৱাৰ লগতে শ্ৰী আদৱানীৰ আদৰ্শৰ স্পষ্টতা, বৌদ্ধিক তীক্ষ্ণতা আৰু প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ ক্ষেত্ৰত সাহস অতুলনীয় বুলি প্ৰধানমন্ত্রীয়ে মত প্ৰকাশ কৰে। শ্ৰী আদৱানীয়ে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি হৈ থকা সময়ত ১৯৮৯ চনত কংগ্ৰেছৰ আসনৰ সংখ্যা ৪০০ৰ পৰা ২০০ লৈ হ্ৰাস পাইছিল আৰু ১৯৯৬ চনত দলটোত একক সংখ্যাগৰিষ্ঠ হিচাপে পৰিগণিত হৈছিল বুলি শ্ৰী মোদীয়ে মত প্ৰকাশ কৰে।

oooooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দলৰ বৰ্ষীয়ান নেতা ভাৰত ৰত্ন সন্মানেৰে বিভূষিত লাল কৃষ্ণ আদৱানীৰ আজি ১০০ বছৰীয়া ওপজা দিন উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে।

নিজৰ ভাষণত শ্ৰী নবীনে কয়, যে ৰাজনৈতিক ক্ষেত্ৰত  নতুন প্ৰজন্মই এই নেতাগৰাকীৰ মৰ্যাদা, গৰিমা আৰু সংবেদনশদীলতাৰ আদৰ্শ গ্ৰহণ কৰি আগবঢ়া উচিত। ৰাষ্ট্ৰ প্ৰথম দৃষ্টিভংগীৰে শ্ৰী আদৰানীয়ে দেশক আগুৱাই নিয়াৰ বাবে প্ৰয়াস কৰিছিল বুলি তেওঁ কয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কয়, যে অটল বিহাৰী বাজপেয়ী আৰু লাল কৃষ্ণ আদৰানীৰ নিষ্ঠা, দৃঢ়তা আৰু দক্ষ নেতৃত্বৰ বাবে বিজেপিয়ে দেশজুৰি প্ৰসাৰ লাভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁলোকৰ এই যাত্ৰাক আগুৱাই লৈ গৈছে বুলি তেওঁ কয়। শ্ৰী আদৰানীৰ কন্যা প্ৰতিভা আদৰানীৰ লগতে দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই আজি এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত শ্ৰী আদৰানীয়ে জীৱন আৰু কৰ্ম সামৰি এটা ২০ মিনিটৰ ভিডিঅ' প্ৰদৰ্শন কৰা হয়।

oooooooo

ফাইলৰ বোজা কম কৰি প্ৰতিটো কাম সময়মতে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা ই-অফিচ ব্যৱস্থাই প্ৰশাসন ব্যৱস্থাক অধিক গতিশীল, স্বচ্ছ আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধ কৰি তোলাৰ ক্ষেত্ৰত নতুন গতি প্ৰদান কৰিছে। এই ব্যৱস্থাৰ অধীনত যোৱা ১৫ আগষ্টৰ পৰা ২৭ হাজাৰ ৭৫০ টা বিবেচনাধীন ফাইল নিষ্পত্তি কৰা হৈছে আৰু সচিবালয়ত ফাইলৰ সংখ্যা ১৭ দশমিক ৯ শতাংশলৈ হ্ৰাস পাইছে। ই-ফাইল ব্যৱস্থাৰ ফলত কাম সম্পাদনৰ গতি আঠ হাজাৰ ৫৫ টা ফাইলৰ পৰা ১৪ হাজাৰ ৬৯৫ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। তেওঁ কয়, যে এই অভিযান কেৱল সচিবালয়তে সীমাবদ্ধ নাথাকে আৰু ভৱিষ্যতে ইয়াক ক্ষেত্ৰ পৰ্যায়ৰ কাৰ্যালয়সমূহলৈও সম্প্ৰচাৰিত কৰা হ'ব। চৰকাৰ প্ৰশাসনৰ প্ৰতিটো স্তৰতে ক্ষিপ্ৰতা আৰু দক্ষতা নিশ্চিত কৰাৰ দিশত অগ্ৰসৰ হৈছে বুলি তেওঁ মন্তব্য কৰে।

oooooooo

ইজৰাইলৰ পৰৱৰ্তী চৰকাৰ গঠনৰ বাবে তথা প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ স্থানত অধিষ্ঠিত হোৱাৰ বাবে সেনা বাহিনীৰ প্ৰাক্তন মুৰববী তথা বিৰোধী নেতা গাডী আইচেনকটে বিপুল জনমত লাভ কৰিছে। ৰাষ্ট্ৰপতি আইজাক হাৰজগে কালি ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনা কৰাৰ পাছত এই কথা ঘোষণা কৰে। আইচেনকটে  নেচেটৰ ১২০ গৰাকী সদস্যৰ ভিতৰত ৬৭ গৰাকীৰ সমৰ্থন লাভ কৰাৰ বিপৰীতে নেতান্যাহুৱে ৪৬ গৰাকীৰ সমৰ্থন লাভ কৰে। অৱশ্যে ৭ গৰাকী সদস্যই কোনো এগৰাকী নেতাকে সমৰ্থন নজনালে।  য়াচাৰ পাৰ্টীৰ আইচেনকটে ২৮ দিনৰ পাছত নতুন দায়িত্ব গ্ৰহণ কৰিব যদিও এই সময় ১৪ দিন বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। সমৰ্থন কৰা ৬৭ গৰাকী সদস্যই সংখ্যাগৰিষ্ঠ চৰকাৰৰ নিশ্চয়তা দিয়া নাই যদিও বিভিন্ন দলৰ মাজত বুজাবুজিৰ প্ৰক্ৰিয়া অব্যাহত আছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহৰ প্ৰাক্তন মুৰববী আইচেনকটে নেতান্যাহুৰ নেতৃত্বাধীন চৰকাৰক অপসাৰিত কৰে আৰু গাজা যুদ্ধৰ বিষয়টো লৈ তেওঁক সমালোচনা কৰে। অৱশ্যে নেতান্যাহুৱে তেওঁৰ পৰাজয় এতিয়ালৈকে স্বীকাৰ কৰা নাই আৰু মিলিত চৰকাৰ গঠনৰ বাবে দলসমূহৰ সৈতে সম্পৰ্ক অব্যাহত ৰাখিছে। যদি আইচেনকটে নিৰ্ধাৰিত সময়ৰ ভিতৰত চৰকাৰ গঠন কৰিব নোৱাৰে তেতিয়া ৰাষ্ট্ৰপতিগৰাকীয়ে আন এগৰাকী নেতাক চৰকাৰ গঠনৰ সুবিধা প্ৰদান কৰিব। পৰৱৰ্তী চৰকাৰ গঠনৰ ক্ষেত্ৰত নেতান্যাহুৰ বাবেও সম্ভাৱনাৰ দুৱাৰ মুকলি থাকিব।

oooooooo

ভাৰতৰ তান্যাই চেনেগালৰ ডকাৰত অনুষ্ঠিত যুৱ অলিম্পিকৰ মহিলাৰ বিচ্ছ মল্লযুদ্ধৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক লাভ কৰিছে। খেলুৱৈগৰাকীয়ে ফাইনেলত প্ৰাৰম্ভিক পৰ্যায়ত অগ্ৰগতি

লাভ কৰা সত্বেও চীনৰ ঝাঅ' মিনৰ হাতত ১-২ ফলাফলত পৰাভূত হৈ ৰূপক পদকত সন্তুষ্ট থাকিবলগীয়া হয়। তান্যাই ইয়াৰ পূৰ্বে গ্ৰুপ পৰ্যায়ৰ চাৰিওখন খেলৰ আটাইকেইখনতে জয়লাভ কৰিছিল।

oooooooo

চেন্নাইৰ এছ্ ডি এ টি টেনিছ্ ষ্টেডিয়ামত অনুষ্ঠিত ডব্লিউ টি এ প্ৰতিযোগিতাৰ মহিলাৰ দ্বৈত শাখাৰ ফাইনেলত আজি ভাৰতৰ বৈষ্ণৱী আডকাৰ আৰু ৰুটুজা ভোষলে ছুইজাৰলেণ্ডৰ নেইমা কাৰাম'ক' আৰু ছিমনা ৰালটাৰ্টৰ মুখামুখি হ'ব। ভাৰতীয় যুটীটো ডব্লিউ টি এ প্ৰতিযোগিতাৰ ডাবলছ্ শাখাত প্ৰথমবাৰৰ বাবে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বজাৰ পৰা আৰম্ভ হ'ব। ছেমি ফাইনেলত ভাৰতীয় যুটীটোৱে কালি দ্বিতীয় বাছনিৰ ৰেৰনিকা ফালকোৱাক্সা আৰু এলানা স্মিথক ৬-২, ২-৬, (১০-৮) ফলাফলত পৰাস্ত কৰে।

oooooooo

সমাপ্ত